# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :** 13-09-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***

**:::: :::: :::: ::::**

১। সোণাপুৰৰ কচুতলিত বে-আইনীভাবে বসতি স্থাপন কৰাৰ আঁৰত এটা দালাল চক্ৰই কাম কৰি থকা বুলি মুখ্যমন্ত্ৰীৰ হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

২। অনলাইন ট্ৰেডিং কেলেংকাৰীত জড়িত দুই অভিযুক্তক গ্ৰেপ্তাৰৰ পাছত থানাৰ পৰিৱৰ্তে ডিব্ৰুগড় জিমখানালৈ নিয়াক লৈ মুখ্যমন্ত্ৰীৰ তদন্তৰ ঘোষণা।

৩। অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ অধ্যক্ষ হিচাপে আজি অৱসৰপ্ৰাপ্ত আই এছ বিষয়া ৰমেশ চান্দ জৈন আৰু উপাধ্যক্ষ হিচাপে ৰুক্ম গোহাঁই বৰুৱাৰ শপতগ্ৰহণ।

৪। কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ বিভাগৰ ৰাজ্য মন্ত্ৰী শোভা কৰন্দলাজেৰ মানকাচৰ ভ্ৰমণ কৰি জিলা প্ৰশাসনৰে পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ। ***আৰু***

৫। নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন বিষয়ৰ প্ৰচাৰ তথা ভোটাৰক আকৰ্ষিত কৰিব পৰাকৈ আজি অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত দুটা শুভঙ্কৰ আৰু এটা ল'গ' মুকলি।

oooo

সোণাপুৰৰ কচুতলিত কালি সৃষ্টি হোৱা অনাহূত পৰিস্থিতি সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে, ঠাইখনত বে-আইনীভাৱে বসতি স্থাপন কৰাৰ আঁৰত এটা দালাল চক্ৰই কাম কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। প্ৰশাসনে অতি সোনকালেই দালাল চক্ৰটোক চিনাক্ত কৰি প্ৰয়োজনীয় ব্যৱস্থা ল'ব। লগতে মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে, জনজাতিয় লোকসকলৰ ভূমি সুৰক্ষাৰ ক্ষেত্ৰত চৰকাৰে আপোচ নকৰে। আইনী প্ৰক্ৰিয়াৰে উচ্ছেদ চলাই যোৱা হ'ব। আনহাতে ট্ৰাইবেল বেল্ট এণ্ড ব্লক আইনখন কংগ্ৰেছ চৰকাৰে প্ৰৱৰ্তন কৰা বুলি উল্লেখ কৰি কয় যে, কচুতলীত কংগ্ৰেছ দলে সভাপাতি বেদখলকাৰীক উচতনি দিছিল। অঞ্চলটোত প্ৰথমে শান্তিপূৰ্ণভাৱে উচ্ছেদ অভিযান চলি আছিল বুলি মুখ্যমন্ত্ৰী শৰ্মাই প্ৰকাশ কৰে।

অসম আৰক্ষীৰ সঞ্চালকপ্ৰধান জি পি সিঙে আজি গুৱাহাটী মহানগৰীৰ সমীপৱৰ্ত্তী সোণাপুৰৰ কচুতলীত উপস্থিত হৈ অঞ্চলটোত অবৈধভাৱে দখল কৰা ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা উত্তেজনাময় পৰিস্থিতিৰ বুজ লয়। জিলা উপায়ুক্তৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰি শ্ৰী সিঙে জনজাতীয় অধ্যুষিত ভূমি অবৈধভাৱে দখল কৰা লোকসকলক উচ্ছেদ কৰা হৈছে বুলি প্ৰকাশ কৰে।

উল্লেখযোগ্য যে সোণাপুৰৰ কচুতলীত কালি ভূমি উচ্ছেদক কেন্দ্ৰ কৰি সৃষ্টি হোৱা সংঘৰ্ষত দুগৰাকী ব্যক্তি নিহত হোৱাৰ লগতে আৰক্ষীকে ধৰি ২২ গৰাকী চৰকাৰী বিষয়া আহত হয়। এই সন্দৰ্ভত আৰক্ষীয়ে ইতিমধ্যে কেইবাজনো লোকক আটক কৰিছে। প্ৰশাসনে সেই অঞ্চলটোৰ পৰা আঁতৰি যাবলৈ পূৰ্বে জাননী

জাৰি কৰিছিল যদিও লোকসকলে সেই ভূমি এৰি নোযোৱাত আৰক্ষী প্ৰশাসনে উচ্ছেদ অভিযান চলাইছিল। কিন্তু একাংশ লোকে উচ্ছেদত বাধা দিয়াৰ ফলতেই এই উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়।

০০০০

অনলাইন ট্ৰেডিং কেলেংকাৰী গোচৰত জড়িত চুমি বৰা আৰু তাৰ্কিক বৰাক আৰক্ষীয়ে গ্ৰেপ্তাৰৰ পাছত পোনে পোনে থানালৈ নিনি ডিব্ৰুগড় জিমখানালৈ নিয়া আৰু সেই স্থানত এটা ব্যক্তিগত চেনেলে সাক্ষাৎকাৰ লোৱা বিষয়টো সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই তদন্তৰ নিৰ্দেশ দিছে। একেটা বিষয় সন্দৰ্ভত লগতে আৰক্ষী সঞ্চালক প্ৰধানৰ সৈতেও মুখ্যমন্ত্ৰীয়ে আলোচনা কৰা বুলি প্ৰকাশ কৰিছে।

আনহাতে, ৰাজ্যৰ বিৰোধী ঐক্যমঞ্চই অনলাইন ট্ৰেডিং কেলেংকাৰী সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ এগৰাকী ন্যায়াধীশৰ তত্বাৱধানত চি বি আইৰ তদন্ত দাবী কৰিছে। আজি গুৱাহাটীত আয়োজিত এখন সংবাদমেলত বিৰোধী ঐক্যমঞ্চৰ নেতা লুৰিণজ্যোতি গগৈ, অজিত ভূঞা আৰু ৰকিবুল হুছেইনে এই দাবী উত্থাপন কৰে। নেতাকেইগৰাকীয়ে এই কেলেংকাৰীৰ অভিযোগত জড়িত থকা লোকসকলৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ দাবী জনোৱাৰ লগতে সাধাৰণ ৰাইজে যাতে ধন ওভোতাই পায়, তাৰ বাবে প্ৰয়োজনীয় ব্যৱস্থা কৰিবলৈও দাবী জনাইছে। এই গোচৰত অভিযুক্তসকলক চৰকাৰে আতিথ্য প্ৰদান কৰা বুলিও তেওঁলোকে অভিযোগ উত্থাপন কৰে। ঘটনা সন্দৰ্ভত অসম আৰক্ষীৰ বিশেষ তদন্তকাৰী গোটে তদন্ত অব্যাহত ৰাখিছে।

ইপিনে, অনলাইন ট্ৰেডিং গোচৰৰ অভিযুক্ত চুমি বৰা আৰু তেওঁৰ স্বামী তাৰ্কিক বৰাক ডিব্ৰুগড় আৰক্ষীয়ে জিম্মাত লোৱাৰ পাছত তেওঁলোকক সোধা-পোছা কৰি আছে। ইয়াৰ লগতে কালি গুৱাহাটী আৰক্ষীয়ে বৰঝাৰৰ গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত আন দুগৰাকী অবৈধ ধন লেনদেন কাৰ্যৰ অভিযুক্ত মাইনাও ব্ৰহ্ম আৰু দীপাংকৰ ভট্টক গ্ৰেপ্তাৰ কৰি মুছলপুৰ আৰক্ষীয়ে সম্প্ৰতি নিজৰ জিম্মাত ৰাখি জেৰা অব্যাহত ৰাখিছে।

০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডৰ অধ্যক্ষ হিচাপে আজি অৱসৰপ্ৰাপ্ত আই এছ বিষয়া ৰমেশ চান্দ জৈন আৰু উপাধ্যক্ষ হিচাপে ৰুক্ম গোহাঁই বৰুৱাই শপতগ্ৰহণ কৰে। মাধ্যমিক শিক্ষ পৰিদৰ কাৰ্যালয়ত আয়োজিত শপতগ্ৰহণ অনুষ্ঠানত বোৰ্ডৰ অন্যান্য সদস্য সকলেও শপতগ্ৰহণ কৰে। অনুষ্ঠানটোত শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ভাগ লৈ কয় যে, ৰাষ্ট্ৰীয় শিক্ষানীতিৰ সৈতে সংগতি ৰাখি গঠন কৰা ৰাজ্যিক বিদ্যালয় শিক্ষা বোৰ্ডখন মূলতঃ মাধ্যমিক পৰ্যায়ৰ শিক্ষাৰ বাবে দায়বদ্ধ হ'ব। বোৰ্ডখনে বিদ্যায়তনিক দিশসমূহৰ লগতে পৰীক্ষাপতা, প্ৰমাণপত্ৰ দিয়া, পাঠ্যক্ৰম যুগুত কৰা আদি কামসমূহ কৰিব। শিক্ষামন্ত্ৰী পেগুৱে লগতে কয় যে, বৰ্তমান দক্ষতা ভিত্তিক শিক্ষাৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে। সেই অনুসৰি ব্যৱহাৰিক, দক্ষতা ভিত্তিক শিক্ষা, শিক্ষাৰ্থীসকলে যাতে বিদ্যালয়তে আহৰণ কৰিব পাৰে তাৰ বাবে ৰাজ্যৰ উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়সমূহক পুৰুজ্জীৱিত কৰাৰ ব্যৱস্থা লোৱা হ'ব। লগতে শিক্ষামন্ত্ৰীগৰাকীয়ে মাধ্যমিক পৰ্যায়ৰ বিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰাৰ প্ৰচেষ্ট গ্ৰহণ কৰা হৈছে বুলিও প্ৰকাশ কৰিছে। মাধ্যমিক বিদ্যালয়ৰ সংখ্যা বৰ্তমানৰ চাৰি হাজাৰ ৫০০ খনৰ পৰা ৬০০০ খনলৈ বৃদ্ধি কৰা হ'ব বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শিক্ষামন্ত্ৰীগৰাকীয়ে লগতে কয় যে, বিদ্যালয়ৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে চৰকাৰে ৮ কোটি টকাকৈ প্ৰদান কৰা হ'ব। ৰাজ্যৰ প্ৰত্যেক ব্লকতে একোখনকৈ আই টি আই স্থাপনৰ বাবে চিন্তা-চৰ্চা কৰা বুলিও শিক্ষামন্ত্ৰীগৰাকীয়ে শপতগ্ৰহণ অনুষ্ঠানত ব্যক্ত কৰে।

০০০

ৰাষ্ট্ৰীয় আইন সেৱা প্ৰাধিকৰণৰ নিৰ্দেশ মতে অন্যান্য জিলাসমূহৰ লগতে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ সৌজন্যত কাইলৈ ৰাষ্ট্ৰীয় লোক আদালত অনুষ্ঠিত হ'ব। এই লোক আদালতত বিভিন্ন আপোচযোগ্য ফৌজদাৰী গোচৰ, বিবাহজনিত গোচৰ, চেক বাউন্সৰ গোচৰ, যান-বাহন আইন ১৯৮৮ অধীনৰ গোচৰসমূহ নিষ্পত্তিৰ দিহা কৰা হৈছে। তদুপৰি বিভিন্ন বেংকৰ ঋণ আদায়, বিজুলী বিল আদায় সম্বন্ধীয়, বি-এছ্-এন-এলৰ বিল গোচৰ সম্বন্ধীয় প্ৰাক মোকৰ্দমা গোচৰসমূহো মীমাংসাৰ বাবে লোৱা হ'ব। মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ অধ্যক্ষ আৰু সচিবে মাজুলীবাসীক এই ৰাষ্ট্ৰীয় লোক আদালতত অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনাইছে। বিতং তথ্যৰ বাবে মাজুলী জিলা আইন সেৱা প্ৰাধিকৰণৰ কাৰ্যালয় সমন্বয়কৰ ফোন নম্বৰ ৮৬৩৮০-২৮৮৭১ অথবা কাৰ্যালয়ৰ মেইলত যোগাযোগ কৰিব পাৰে।

০০০০

বৰ্তমানৰ শিক্ষা ব্যৱস্থাই ছাত্ৰ-ছাত্ৰীৰ সামগ্ৰিক বিকাশত গুৰুত্ব আৰোপ কৰাৰ লগতে তেওঁলোকৰ সৰলীকৰণৰ উদ্দেশ্যে আধুনিক শিক্ষা পদ্ধতি সমূহ গ্ৰহণ কৰি বিভিন্ন ক্ষেত্ৰৰ দক্ষতা বৃদ্ধি কৰিব লাগিব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মত প্ৰকাশ কৰিছে। বি বৰুৱা মহাবিদ্যালয়ৰ ৮২ সংখ্যক প্ৰতিষ্ঠা দিৱসত ভাষণ দি মুখ্যমন্ত্ৰীয়ে কয় যে, প্ৰগতিশীল বিশ্বৰ পৰিৱৰ্তিত দিশসমূহৰ প্ৰতি লক্ষ্য ৰাখি ছাত্ৰ-ছাত্ৰীসকলে নিজকে চাকৰিৰ বজাৰখনত যোগ্য কৰি ৰখাৰ বাবে বিভিন্ন দক্ষতা আহৰণ কৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে কয় যে, পৰিৱৰ্তিত শৈক্ষিক দিশসমূহৰ প্ৰতিও লক্ষ্য ৰাখি শিক্ষা ব্যৱস্থাত ছাত্ৰ-ছাত্ৰীসকলক পৰৱৰ্তী প্ৰযুক্তিৰে দক্ষ কৰি তুলিব লাগিব। অসম সম্প্ৰতি ঔদ্যোগিকীকৰণত আগবাঢ়ি গৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে, ৰাজ্যত বৰ্তমান এ আই, ৰবটিক্স, ব্লকচেইন, থ্ৰিডি প্ৰিণ্টিং আদিৰ দৰে প্ৰযুক্তিৰে শিক্ষিত অধিক দক্ষ লোকৰ প্ৰয়োজন হৈছে। বি বৰুৱা মহাবিদ্যালয়ে ছাত্ৰ-ছাত্ৰীসকলক উপযুক্ত দক্ষতা আহৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰি আহিছে বুলিও শ্ৰীশৰ্মাই মন্তব্য কৰে। তেওঁ মহাবিদ্যালয় কৰ্তৃপক্ষক নাকৰ এ প্লাছ প্লাছ স্বীকৃতি লাভ কৰাৰ বাবে অভিনন্দন জ্ঞাপন কৰে। মহাবিদ্যালয়খনক বৰ্তমান সময়ৰ প্ৰযুক্তিগত উদ্ভাৱনৰ প্ৰতি দৃষ্টি ৰাখি নতুন নতুন পাঠ্যক্ৰম আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে পৰামৰ্শ আগবঢ়ায়। শ্ৰীশৰ্মাই মহাবিদ্যালয়খনৰ চৌহদৰ পৰিসৰ বৃদ্ধিৰ উদ্দেশ্যে অতিৰিক্ত ভূমি প্ৰদান কৰাৰ লগতে ১০ কোটি টকা দিয়া হ'ব বুলিও ঘোষণা কৰে। ০০০০

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেবছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ চেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

০০০০

নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন বিষয়ৰ প্ৰচাৰৰ সহায়ক হোৱাকৈ তথা ভোটাৰক আকৰ্ষিত কৰিব পৰাকৈ আজি অসমৰ মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত দুটা শুভঙ্কৰ আৰু এটা ল'গ' মুকলি কৰা হয়। অসমৰ কৃষ্টি-সংস্কৃতিৰ সৈতে সংগতি ৰাখি প্ৰস্তুত কৰি উলিওৱা লাডু আৰু পিঠা প্ৰতীকিৰ এই শুভংকৰ দুটা অসমৰ মুখ্য

নিৰ্বাচনী বিষয়া অনুৰাগ গ'ৰেলে মুকলি কৰে। এই শুভংকৰ দুটাৰ লগতে মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে মুখ্য নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ এটা ল'গ' মুকলি কৰে। ৰংঘৰ, ব্ৰহ্মপুত্ৰ, বিহু আৰু গড়ক সামৰি এই ল'গ'টো প্ৰস্তুত কৰা হৈছে। শুভংকৰ তথা ল'গ' মুকলি কৰি ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে কয় যে, অসমৰ কৃষ্টি-সংস্কৃতিক সামৰি প্ৰস্তুত কৰা শুভংকৰ দুটাই জনসাধাৰণৰ মাজলৈ সহজে নিৰ্বাচনী বাৰ্তা লৈ যাব পাৰিব।

০০০০

বৰপেটা জিলা জনস্বাস্থ্য কাৰিকৰী বিভাগে বিশুদ্ধ পানী খোৱা, পানীৰ অপচয় ৰোধ তথা পানী সংৰক্ষণ কৰাৰ প্ৰতি ছাত্ৰ-ছাত্ৰীৰ জৰিয়তে ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ এলানি কাৰ্যসূচী গ্ৰহণ কৰিছে। ইয়াৰ অংশস্বৰূপে আজি চেঙা দক্ষিণপাৰত এখন কৰ্মশালা অনুষ্ঠিত হয়। বৃহত্তৰ চেঙাৰ কেইবাখনো শিক্ষানুষ্ঠানত অষ্টমৰ পৰা দ্বাদশ শ্ৰেণীৰ নিৰ্বাচিত শিক্ষাৰ্থীৰ এটা দলক বিভাগটোৰ সমল ব্যক্তিয়ে প্ৰশিক্ষণ দিয়ে। প্ৰধানকৈ সমষ্টিটোৰ চৰ অঞ্চলৰ শিক্ষাৰ্থীক এই প্ৰশিক্ষণ দিয়াত বিশেষ গুৰুত্ব দিয়া হৈছে। জলদূত নাম দিয়া এইসকল শিক্ষাৰ্থীয়ে নিজৰ ঘৰখনৰ লগতে চুবুৰীয়াৰ মাজতো পানীৰ গুণাগুণ, অবাৰত পানীৰ অপচয় নকৰা, জলজীৱ মিছনৰ পানী গ্ৰহণ কৰা আদিৰ বিষয়ে সজাগতাৰ সৃষ্টি কৰিব।

০০০০

নৰ্থ লখিমপুৰ মহাবিদ্যালয়ত আজি সৃজনীশীল সাহিত্য বিষয়ক এখন আলোচনাচক্ৰ অনুষ্ঠিত হয়। উচ্চ শিক্ষা গ্ৰহণ কৰি থকা ছাত্ৰ-ছাত্ৰীসকলৰ সাহিত্য চৰ্চা আৰু বৌদ্ধিক অনুশীলনক অধিক গতিশীল কৰাৰ লক্ষ্যৰে অসম প্ৰকাশন পৰিষদে বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয় পৰ্যায়ত গ্ৰহণ কৰা কাৰ্যসূচীৰ অংশস্বৰূপে এই আলোচনাচক্ৰ অনুষ্ঠিত হয়। প্ৰকাশ আলোচনীৰ সম্পাদক মিহিৰ দেউৰীয়ে এই আলোচনাচক্ৰখন উদ্বোধন কৰে। অনুষ্ঠানত ভাষণ দি তেওঁ কয় যে, ৰাজ্যৰ ছাত্ৰ ছাত্ৰীসকলৰ মাজত সাহিত্য আৰু গ্ৰন্থৰ প্ৰতি আস্থাশীল কৰি বৌদ্ধিক পৰিৱেশক অধিক দৃঢ় কৰাৰ উদ্দেশ্যে বিভিন্ন বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ত প্ৰকাশ সাহিত্য গোট গঠন কৰা হৈছে। এই গোটসমূহৰ সহযোগত মহাবিদ্যালয় গ্ৰন্থমেলা, সৃষ্টিশীল সাহিত্যৰ কৰ্মশালা আদি অনুষ্ঠিত কৰি আহিছে। আজিৰ এই আলোচনাচক্ৰত শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰিছে।

০০০০

নৱপ্ৰজন্মৰ মাজত কিতাপ অধ্যয়নৰ অভ্যাস শক্তিশালী কৰাৰ উদ্দেশ্যে বিটিআৰ প্ৰশাসনৰ পুথিভঁড়াল সেৱা বিভাগৰ উদ্যোগত বড়োলেণ্ড পঠন সপ্তাহৰ আয়োজন কৰা হৈছে। বিটিআৰৰ ৰাজহুৱা পুথিভঁড়াল আৰু শিক্ষানুষ্ঠানসমূহত যোৱা ১০ চেপ্তেম্বৰৰ পৰা অহা ১৭ চেপ্তেম্বৰলৈ এই পঠন সপ্তাহ পালন কৰা হৈছে। এই কাৰ্যসূচীৰ অংশস্বৰূপে আজি তামুলপুৰ মহকুমা গ্ৰন্থাগাৰতো পঠন সপ্তাহৰ কাৰ্যসূচী উদ্‌যাপিত হয়। এই উপলক্ষে মহকুমা গ্ৰন্থাগাৰিকৰ সঞ্চালনাত এখন সজাগতামূলক আৰু মত বিনিময় সভা অনুষ্ঠিত হয়। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থকা বিশিষ্ট ব্যক্তিসকলে ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ সমান্তৰালভাৱে বিশিষ্ট লেখকসকলৰ বিভিন্ন প্ৰবন্ধ, গল্প, উপন্যাস, সাংস্কৃতিক, ৰাজনৈতিক আদি ভিন ভিন বিষয়ত লিখা গ্ৰন্থসমূহো অধ্যয়ন কৰিবলৈ আহ্বান জনায়।

০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত দৃষ্টিপাতত প্ৰধানমন্ত্ৰী সূৰ্যঘৰ আঁচনি সন্দৰ্ভত আলোচনা প্ৰচাৰ কৰিব। এই অনুষ্ঠানত অসম শক্তি বিতৰণ কোম্পানী লিমিটেডৰ উপ প্ৰৱন্ধক বৈশালী তালুকদাৰ আৰু সহকাৰী প্ৰৱন্ধক বিনয় নাথ সমল ব্যক্তি হিচাপে উপস্থিত

থাকিব। অনুষ্ঠানটোৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। আগ্ৰহী শ্ৰোতাই অনুষ্ঠান চলি থকাৰ সময়ত ০৩৬১-২৬৬১৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰত ফোন কৰি কথা পাতিব পাৰিব।

০০০০

মৰিগাওঁৰ ঘনকান্ত বৰুৱা মহাবিদ্যালয়ত আজি এটা অত্যাধুনিক পুথিভঁড়ালৰ আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ ভৈয়াম জনজাতি উন্নযন নিগমৰ অধ্যক্ষ তথা মৰিগাওঁৰ বিধায়ক ৰমাকান্ত দেউৰীয়ে আধাৰশিলা স্থাপন কৰে। ৰাজ্য চৰকাৰৰ শিক্ষা বিভাগে পুথিভঁড়ালটোৰ নিৰ্মাণৰ বাবে ডেৰ কোটি টকা আৱণ্টন দিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত  ভাষণ দি বিধায়ক দেউৰীয়ে মহাবিদ্যালয়খনত শীঘ্ৰেই ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী এন চিচিৰ এটা গোট আৰু এটা চাইকেল ষ্টেণ্ড নিৰ্মাণৰ প্ৰতিশ্ৰুতি দিয়ে। আধাৰশিলা স্থাপন অনুষ্ঠানত মৰিগাওঁৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাকে ধৰি বহুকেইগৰাকী  বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

মঙলদৈ মহাবিদ্যালয়ৰ আৰৱী বিভাগৰ অৰসৰপ্ৰাপ্ত মুৰববী অধ্যাপক তথা প্ৰাক্তন সাংবাদিক মঙলদৈৰ ২ নম্বৰ ৱাৰ্ড নিৱাসী ড° জামালুদ্দিন আহমেদৰ আজি এখন ব্যক্তিগত চিকিৎসালয়ত মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। ড° আহমেদৰ মৃত্যুত সাংবাদিক সংগঠন মঙলদৈ মিডিয়া চাৰ্কোলৰ লগতে স্থানীয় বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে গভীৰ শোক প্ৰকাশ কৰিছে।

০০০০

সমাপ্ত